# আঁচনি কৰা আৰু দলক আৰু তেওঁলোকৰ সহায়কাৰী সকলক উপাসনালৈ চলোৱাৰ নিৰ্দ্দেশাৱলী



ঈশ্বৰৰ প্ৰশংসা কৰা, বিশ্বাসী সকলক বৃদ্ধি কৰা আৰু বিচৰা সকলক যীচুলৈ অনা উপাসনাৰ আঁচনি কৰক। প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্য অধ্যয়নেৰে উপাসনাৰ চলাওঁতাবিলাকে নিজকে প্ৰস্তুত কৰা উচিত। এই নিৰ্দ্দেশাৱলীবোৰ ব্যৱহাৰ কৰি, সহ-কৰ্ম্মী সকলৰ লগত তেওঁবিলাকে আগতীয়াকৈ উপাসনাত কৰিবলগীয়া বিষয়বোৰৰ আঁচনি কৰা উচিত।

**১। উপাসনাৰ বিষয়বোৰ দলটোত খাপ খুউৱা উচিত।**

- মণ্ডলী প্ৰায়ে সৰু গোট হিচাপে আৰম্ভ কৰা য'ত নতুন বিশ্বাসীসকলৰ সৰু গোটক লৈ উপযুক্তভাৱে উপাসনা কৰা হয়।
- কেৱল মাত্ৰ চাই থকা আৰু একান্তমনে শুনি থকা নহৈ, গোটেই জাকে ইয়াত কাৰ্য্যকৰী ভাবে অংশ লোৱা উচিত। দৰাচলতে, এটা ডাঙৰ গোটতকৈ সৰু গোটেহে কাৰ্য্যকৰীভাবে উপাসনা কৰিব পাৰে।
- ঈশ্বৰৰ প্ৰশংসা কৰোঁতে, সুন্দৰ গীত-মাত অথবা উপাসনা চলাওঁতাই কিমান ভালদৰে কাৰ্য্যক্ৰম চলাইছে সেই কথালৈ মন নিদি, ঈশ্বৰৰ বিষয়ে ভাবিবলৈ লোকবিলাকক সহায় কৰক।
- ঈশ্বৰক বুজোৱা গীত-মাত আৰু উপাসনাৰ অন্যান্য কাম-কাজবোৰ বাচি লওঁক। লোকবিলাকে কি কৰে আৰু শিকে - উপাসনাৰ কাৰ্য্যক্ৰমে বুজোৱা এইবোৰ উপাসনাৰ আন ভাৰ, কিন্তু এইবোৰ প্ৰশংসাৰ সময়ৰ বাবে নহয়।
- দামী বাদ্য-যন্ত্ৰৰ প্ৰয়োজন, আৰু সুন্দৰভাবে বজাব পৰা লোক বিচৰা যাতে, যেন অনেক বিশ্বাসীসকলে গীত-প্ৰশংসা নকৰি কেৱল মনোযোগেৰে শুনিব বুলি নাভাবিব। ঈশ্বৰৰ প্ৰশংসা নকৰি বৰং বাদ্য-যন্ত্ৰ বজোৱা সকলক প্ৰশংসা কৰিবলৈ নিদিব।

**২। বিশেষ দিন, আপোনাৰ লোকবিলাক, তেওঁবিলাকৰ বৰ্ত্তমানৰ প্ৰয়োজন আৰু স্থানীয় ৰীতি-নীতিত খাপ খুউৱাকৈ উপাসনাৰ কাৰ্য্যক্ৰম বিলাক বাচি লওক।**

- পবিত্ৰ আত্মাৰ পৰিচালনা অনুসৰণ কৰাৰ কাৰণে বিশ্বাসীসকলৰ সীমিত স্বাধীনতা পৰিহাৰ কৰক। পৌল-তীমথিয়ৰ প্ৰত্যেক অধ্যয়নে উপাসনাৰ কাৰণে বাচি লবলৈ বিভিন্ন কাৰ্য্যক্ৰমৰ পৰামাৰ্শ দিয়ে।
- সহ-কৰ্ম্মী সকলৰ লগত, আগতীয়াকৈ উপাসনা কাৰ্য্যক্ৰমৰ বাবে একেলগে প্ৰাৰ্থনা আৰু আঁচনি কৰক।
- চলাওঁতাসকলে আন সংস্কৃতিৰ পৰা অনা উপাসনাৰ ধৰণ-কৰণ পৰিহাৰ কৰক।
- খ্ৰীষ্টক বিশ্বাস নকৰা লোকবিলাক উপস্থিত থাকিলে, তেওঁলোকে খ্ৰীষ্টক আৱিস্কাৰ কৰা আৰু তেওঁত বিশ্বাস কৰা সহায় হোৱা কাৰ্য্যক্ৰমবোৰ অন্তৰ্গত কৰিব।
- উপাসনাৰ প্ৰতিটো বিষয় বিশদভাৱে আৰু আঁচনিৰ পৰিবৰ্তন নকৰি, আনকি খ্ৰীষ্টক বিচৰাসকলৰ পৰিত্ৰাণৰ বাবেও চলাওঁতাসকলৰ আঁচনি পৰিহাৰ কৰক।
- অন্য চলাওঁতাসকলে কিদৰে সভাবোৰ পৰিচালনা কৰে, তাক এগৰাকী বয়োবৃদ্ধ লোকক চাবলৈ দিয়ক। যুৱক-যুৱতী আৰু ল'ৰা-ছোৱালীক সভাখনৰ কিছু অংশ পৰিচালনা কৰিবলৈ দিয়ক।
- যদিওবা মহিলা আৰু যুৱকসকলে পাঠ প্ৰস্তুত কৰাত অধিক সময় পায়, তথাপি তেওঁলোকক সভাখন বশ কৰিবলৈ নিদিব, অন্যথা ভালকৈ পৰিচালনা কৰা উদ্যোগী লোকক বাধা দিব।

**৩। সকলো বিশ্বাসীকে খৰপোচকৈ যোগ দিব দিয়ক।**

- আটাই বয়সৰে ল'ৰা-ছোৱালীক যোগ দিবলৈ দিয়ক। পৌল-তীমথিয়ৰ ল'ৰা-ছোৱালীৰ অধ্যয়নে সপ্তাহটোৰ অধ্যয়নৰ

বিষয়ৰ লগত মিলা বাইবেলৰ গল্পবোৰ যোগায়, যাতে যেন ল'ৰা-ছোৱালীয়ে বয়সীয়া সকলৰ আগত নাটক পৰিবেশন কৰিব পাৰে। ল'ৰা-ছোৱালীৰ অধ্যয়নত গীতমালাৰ পৰা পদ্যও দিয়া থাকে, তাক সিহঁতে আবৃতি কৰিব পাৰে, আৰু বয়সীয়া সকলক প্ৰশ্নও কৰিব পাৰে। ল'ৰা-ছোৱালীক উপাসনাৰ গোটেই সময়খিনি বাহিৰত অন্য কোঠাত থাকিবলৈ নিদিব; সিহঁতক শিক্ষা দিয়াত আৰু প্ৰশংসাত ভাগ লবলৈ দিয়ক।

- উপাসনাৰ গোটেই সময়খিনি কেৱল চলাওঁতাকে লবলৈ নিদিব। প্ৰতিজনে ইজনে সিজনক জানিবলৈ আৰু মৰম আদৰ কৰিবলৈ সময় লওঁক।
- ডাঙৰ ল'ৰা-ছোৱালীয়ে আমনি পাই দুষ্টামি নকৰিবলৈ, প্ৰকল্পবোৰত কেৱল বয়সীয়া সকলে শিক্ষা দিয়া আৰু তদাৰক লোৱাত বিৰত থাকক। উপাসক সকলে নতুন নিয়মৰ ইজনে-সিজনৰ আজ্ঞা পালন কৰক।
- তেওঁলোকে খ্ৰীষ্টৰ কাৰণে কি কৰিছে, মণ্ডলীক জনাবলৈ বিশ্বাসীসকলক সুবিধা দিয়ক।
- বিশ্বাসীসকলক দুই, তিনি অথবা চাৰিজন ব্যক্তিৰ সৰু গোটবোৰত কথা-বতৰা হ'বলৈ আৰু একেলগে প্ৰাৰ্থনা কৰিবলৈ দিয়ক। এনে কৰিলে প্ৰতিজনৰ কথা শুনিবলৈ, প্ৰশ্ন কৰিবলৈ, কাৰ্য্যক্ৰমৰ আঁচনি প্ৰস্তুত কৰিবলৈ, আনক উপদেশ দিবলৈ আৰু প্ৰাৰ্থনা কৰিবলৈ সুবিধা পাব। সমস্যাত পৰি থকা সকলৰ লগত বিশ্বাসীসকলক সময় নিয়াবলৈ দিয়ক। ৰোগী-দুখী, হেৰাই থকা জন আৰু ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা কৰক।
- প্ৰগামৰ কাৰ্য্যক্ৰমৰ দ্বাৰা আটাইখিনি সময় অতিবাহিত নকৰিব। কোনো বিশেষ কাৰ্য্যক্ৰমৰ আঁচনি নোহোৱাকৈ ইজনে সিজনৰ লগত সহভাগিতাৰ আনন্দ উপভোগ আৰু ইজনে সিজনক ভালকৈ জানি বুজিবলৈ যথেষ্ট সময় দিয়ক। আনকি অকণো খৰখেদা নকৰাকৈ পৰস্পৰৰ মাজত কথা বতৰা আৰু প্ৰাৰ্থনা কৰিবলৈ দিয়ক।
- গোটটো সৰুকৈ ৰাখক আৰু এনে কৰাৰ দ্বাৰাই নতুন গোট আৰম্ভ কৰক।
- ঘূৰণীয়াকৈ বহাৰ ব্যৱস্থা কৰিব। ল'ৰা-ছোৱালীয়ে শ্ৰেণী কোঠাত বহাৰ দৰে আগফালে থকা সকলৰ মূৰৰ পাছফালে মাত্ৰ যেন দেখি নাথাকে।
- কেৱল এজন বা দুজনে আলোচনাত ভাগ লোৱাৰ পৰা বিৰত কৰিব। আলোচনাৰ সময়ত কথা পাতি থকা আৰু বেচিকৈ গোচৰ দি থকা জনক পালকে শিকাওক। বেচিকৈ কথা পতা জনৰ পৰা, কম কথা কোৱা জনক প্ৰশ্ন কৰক, প্ৰত্যেকজনকে কথা কোৱা ও নিজৰ মন্তব্য দিয়াত স্বাধীনতা পোৱাত সহায় কৰক।
- গোটৰ আকৰ্ষণ বিচৰাত লোকবিলাকক সদায় বিৰত ৰাখক। কিছুমান মানুহে প্ৰত্যেক সভাতে তেওঁলোকৰ সমস্যাৰ বিষয়ে আপত্তি কৰে। তেওঁলোকে বেয়া পৰিস্থিতিৰ এগৰাকী বিশেষভাৱে আক্ৰান্ত হোৱা বুলি কৈ ভাল পায়। এনে আন কিছুমান লোক আছে যি সকলে অতি অহঙ্কাৰ ভাৱেৰে যিকোনো বিষয়ৰ কথা খাটাংকৈ কৈ দিয়ে।

বিশ্বাসীসকলক শাস্ত্ৰৰ বাক্যৰ পঢ়িবলৈ অথবা নাট পৰিবেশন কৰিবলৈ শিকাওক। অনেক বাইবেলৰ কাহিনীবোৰ লোকবিলাকৰ মাজত হোৱা কথোপকথন। কথোপকথন কৰিব নথকা বাইবেলৰ অংশবোৰ বৰ্ণনাকাৰীয়ে পঢ়িব পাৰে। উদাহৰণ স্বৰূপে ঃ

> এজন বৰ্ণনাকাৰীয়ে আদিপুস্তক ৩ অধ্যায় কিছু অংশ পঢ়ক।
>
> এজন মানুহে আদমে কোৱা ও কৰা কথাখিনি পঢ়ক আৰু নাটক কৰক।
>
> এগৰাকী তিৰোতাই হৱাৰ ভাও লয়।
>
> আন এগৰাকী বয়স্থ লোকে চয়তানৰ ভাও লয়।
>
> কোনো এজনে ঈশ্বৰৰ বাক্য কয়।

৪। **শাৰীৰিক ভাবে প্ৰেমত বিশ্বাসীসকলে ইজনে সিজনৰ পৰিচৰ্য্যা কৰাৰ দৰে, পবিত্ৰ আত্মাক বিভিন্ন আত্মিক বৰবোৰৰ ব্যৱহাৰক মিলাবলৈ দিয়ক।**

- মানুহৰ শৰীৰত বিভিন্ন অঙ্গ-প্ৰত্যঙ্গবিলাকে একেলগে কাম কৰাৰ দৰে, বিশ্বাসীসকলেও পবিত্ৰ আত্মাই প্ৰতিজনকে দিয়া আত্মিক বৰবিলাক ব্যৱহাৰ কৰাৰ বিষয়ে ১কৰিন্থীয়া ১২, ১৩ অধ্যায়ত লিখা আছে। আন আত্মিক বৰবিলাক পোৱা বিশ্বাসীসকলক পৃথকে ৰাখিবলৈ অন্য প্ৰগ্ৰাম বিলাক চলোৱাৰ পৰা বিৰত থাকক। পৰম্পৰাগত ভাবে কিছুমান মণ্ডলীয়ে কৰাৰ দৰে একে ধৰণৰ পৰিচৰ্য্যাকে কৰি, অন্য বৰ ব্যৱহাৰ কৰা লোকবিলাকৰ লগত

কেতিয়াবা লগ পোৱা নকৰিব।

- সপ্তাহটোত কৰিবলগীয়া কাৰ্য্যক্ৰমবিলাক উপাসনাৰ সময়ত ব্যাখ্যা কৰিব। ইয়াৰ কোনো কোনো কাৰ্য্যক্ৰম সপ্তাহটোৰ শিক্ষা বিষয়ৰ লগত মিল থকা উচিত। অন্যান্য কাৰ্য্যক্ৰম বিলাকে নভবা প্ৰয়োজনবোৰ আৰু লোকবিলাকৰ পৰিচৰ্য্যা কৰা উচিত।
- সহায়ৰ প্ৰয়োজন থকা ওচৰ-চুবুৰীয়া আৰু বন্ধুবৰ্গৰ বিষয়ে আৰু তেওঁবিলাকৰ পৰিচৰ্য্যা কৰিবলৈ বিশ্বাসীসকলে কি কৰিব ক'বলৈ দিয়ক।
- বিশ্বাসীসকলক তেওঁবিলাকৰ কাৰ্য্যক্ৰমত পৰামৰ্শ আৰু আলোচনা আৰু কোনে আৰু কেতিয়া কৰিব, তাৰে সঠিক আঁচনি কৰিবলৈ দিয়ক। সেই আঁচনিবোৰে তলত দিয়া বিষয়বোৰ সুমুৱাই লব পাৰে ঃ

  ইজনে সিজনৰ কাৰণে, ৰোগী, হেৰাই যোৱা আৰু দুষ্ট আত্মাই পোৱা লোকৰ কাৰণে প্ৰাৰ্থনা কৰা,
  সহভাগিতা কৰা,
  অন্য মণ্ডলীৰ লগত সহযোগ কৰা,
  প্ৰয়োজনত থকা সকলৰ পৰিচৰ্য্যা কৰা,
  পাৰিবাৰিক উপাসনা কৰা।
- 'ইজনে-সিজনৰ' নতুন নিয়মৰ এই আজ্ঞা পালন কৰি পৰস্পৰৰ আৰু মণ্ডলীত প্ৰেমৰ সহভাগিতা গঢ়ি তোলা।

**নতুন নিয়মৰ 'ইজনে সিজনৰ' / পৰস্পৰৰ আজ্ঞা**

**প্ৰেম ঃ**

- পৰস্পৰে প্ৰেম কৰা ঃ যোহন ১৩ঃ৩৪-৩৫; ৫ঃ১২,১৭; ৰোমীয়া ১২ঃ১০; ১ থিচল ৪ঃ৯; ১ যোহন ৩ঃ১১,১৪,২৩; ৪ঃ৭,১১,১২; ২ যোহন ১ঃ৫; ১ পিতৰ ১ঃ২২
- বিধান সিদ্ধ কৰিবলৈ পৰস্পৰে প্ৰেম কৰা ঃ ৰোমীয়া ১৩ঃ৮
- পৰস্পৰৰ প্ৰতি আমাৰ প্ৰেম বাঢ়ি যোৱা ঃ ২ থিচল ১ঃ৩
- ইজনে সিজনলৈ প্ৰেম বাঢ়ি উপচি পৰা ঃ ১ থিচল ৩ঃ১২
- পাপসমূহ ঢাকিবলৈ, পৰস্পৰে আগ্ৰহযুক্ত প্ৰেম কৰা ঃ ১ পিতৰ ৪ঃ৮

**সহভাগিতা আৰু মিলাপ্ৰীতি ঃ**

- পৰস্পৰৰ মাজত সহভাগিতা ৰাখা ঃ ১যোহন ১ঃ৭
- পৰস্পৰে ক্ষমা কৰা ঃ ইফিচীয়া ৩ঃ১৩; ৪ঃ৩২; কলচীয়া ৩ঃ১৩
- পৰস্পৰে পবিত্ৰ চুমাৰে মঙ্গলবাদ কৰা (কোনো কোনো সংস্কৃতিত সাৰটি ধৰা) ঃ ৰোমীয়া ১৬ঃ১৬; ১ কৰি ১৬ঃ২০; ২ কৰি ১৩ঃ১২; ১ পিতৰ ৫ঃ১৪
- পিঠা ভঙাত ইজনে সিজনলৈ বাট চোৱা ঃ ১ কৰি ১১ঃ৩৩
- পৰস্পৰৰ দুখৰ ভাগী হোৱা ঃ ১ কৰি ১২ঃ২৬

**পৰিচৰ্য্যা ঃ**

- প্ৰতিজনে যেনেকৈ যি বৰ পালে, তেনেকৈ পৰস্পৰে সেৱা শুশ্ৰূষা কৰা ঃ ১ পিতৰ ৪ঃ১০
- প্ৰেমেৰে এজনে আনজনৰ দাস্যকৰ্ম্ম কৰা ঃ গালা ৫ঃ১৩
- পৰস্পৰে হিতকাৰী হোৱা ঃ ১ থিচল ৫ঃ১৫
- পৰস্পৰে হিত চিন্তা কৰা ঃ ১ কৰি ১২ঃ২৫
- ইজনে সিজনৰ ভাৰ বোৱা ঃ গালাতীয়া ৬ঃ২
- ইজনে সিজনৰ পৰিচৰ্য্যা কৰা চিন স্বৰূপে ইজনে সিজনৰ ভৰি ধুউৱা ঃ যোহন ১৩ঃ১৪
- পৰস্পৰে ঈশ্বৰৰ কৰ্ম্ম কৰা ঃ ১ কৰি ৩ঃ৯; ২ কৰি ৬ঃ১।

**শিক্ষা দিয়া ঃ**

- পৰস্পৰে শিক্ষা দিয়া ঃ কলচীয়া ৩ঃ১৬
- পৰস্পৰে উপদেশ দিয়া ঃ ৰোমীয়া ৫ঃ১৪

**উৎসাহ / উদগোৰা ঃ**

- পৰস্পৰে উৎসাহ দিয়া ঃ কলচীয়া ৩ঃ১৬; ইব্ৰী ১০ঃ২৫
- পৰস্পৰক উদ্‌গোৰা ঃ ইব্ৰী ৩ঃ১৩
- ইজনে সিজনৰ লগত সত্য আলাপ কৰা ঃ ইফিচীয়া ৪ঃ২৫
- ইজনে সিজনৰ কাৰণে নিজ নিজ প্ৰাণ দিয়া উচিত ঃ ১ যোহন ৩ঃ১৬
- প্ৰেম আৰু সৎকৰ্ম্মত উত্তেজিত হ'বলৈ পৰস্পৰে মনোযোগ কৰাহঁক ঃ ইব্ৰী ১০ঃ২৪

**প্ৰাৰ্থনা, স্বীকাৰ কৰা আৰু বৃদ্ধি ঃ**

- ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা কৰা ঃ যাকোব ৫ঃ১৬
- ইজনে সিজনৰ আগত আমাৰ পাপ স্বীকাৰ কৰা ঃ যাকোব ৫ঃ১৬
- ইজনে সিজনক বৃদ্ধি কৰা ঃ ১ থিচ ৪ঃ১৮ আৰু ৫ঃ১,১১
- ইজনে সিজনক ধৰ্ম্মত বৃদ্ধি কৰিবলৈ, তোমালোকে গীত, উপদেশৰ কোনো বাক্য, কোনো জনৰ প্ৰকাশিত বাক্য, পৰভাষা অথবা তাৰ অৰ্থ প্ৰকাশ কৰা ঃ ১ কৰি ১৪ঃ২৬
- একেলগে ঈশ্বৰৰ গৌৰৱ কৰা ঃ ৰোমীয়া ১৫ঃ৬

**নম্ৰভাৱে একতা গঢ়া ঃ**

- ইজনে সিজনক সমাদৰ কৰা ঃ ৰোমীয়া ১২ঃ১০
- পৰস্পৰৰ ভাব একে হওঁক ঃ ২ কৰি ১৩ঃ১১; ৰোমীয়া ১২ঃ১৬; ১৫ঃ৫
- পৰস্পৰৰ সোধ-বিচাৰ নকৰিবা ঃ ৰোমীয়া ১৪ঃ১৩
- ইজনে সিজনৰ বিৰুদ্ধে কথা নক'বা ঃ যাকোব ৪ঃ১১; ৫ঃ৯
- ইজনে সিজনৰ বশীভূত হোৱা ঃ ইফিচীয়া ৫ঃ২১
- পৰস্পৰৰ হিতৰ কাৰণে নম্ৰতাৰূপ বস্ত্ৰ পিন্ধা ঃ ১ পিতৰ ৫ঃ৫

**মিলেৰে থাকা ঃ**

- পৰস্পৰে সহন কৰা ঃ ইফিচীয়া ৪ঃ২
- পৰস্পৰে শান্তিৰে থাকা ঃ মাৰ্ক ৯ঃ৫০
- পৰস্পৰে অতিথি সেৱাত আসক্ত হোৱা ঃ ৰোমীয়া ১৫ঃ৭; ১ পিতৰ ৪ঃ৯

৫। **প্ৰভুৰ ভোজ এনেদৰে পালন কৰক যেন পবিত্ৰ আত্মাই খ্ৰীষ্টৰ উপস্থিতি আটাইকে জ্ঞাত কৰে।**

- নতুন চলাওঁতা / পালক সকলৰ বাবে পৌল-তীমথিয় অধ্যয়নে ঈশ্বৰৰ সম্পৰ্ক জ্ঞানযুক্ত বাইবেল অনেক প্ৰকাৰৰ নিৰ্দ্ধাৰিত পাঠবোৰ দিয়ে যিহৰ দ্বাৰা প্ৰভু-ভোজ স্থাপন কৰিব পাৰি। প্ৰভু-ভোজ বিলোৱা আগেয়ে, প্ৰাৰ্থনাৰে ঈশ্বৰৰ আগত তেওঁলোকৰ পাপবোৰ স্বীকাৰ কৰিবলৈ সময় দিয়ক। এই কথাত কোনো জনে পাপ স্বীকাৰ আমি কিয় কৰিব লাগে বুলি প্ৰশ্ন কৰিলে, তেওঁলোকক ১ কৰিন্থীয়া ১১ঃ২৭-৩১ আৰু ১ যোহন ১ঃ৭-১০ পদ পঢ়িবলৈ দিয়ক। পাপ স্বীকাৰৰ উদাহৰণ স্বৰূপে দায়ূদৰ পাপ স্বীকাৰ, গীতমালা ৫১ঃ১-১০ পদ পঢ়ক।
- কিছুমান মণ্ডলীত সকলোকে এটা পিয়লাতে দ্ৰাক্ষাৰস দিয়া হয়, আৰু বিশ্বাসীসকলে সেই দ্ৰাক্ষাৰসত ৰুটি জুবুৰিয়ায়। আন কিছুমানে ব্যক্তিগত পিয়লাতহে দ্ৰাক্ষাৰস দিয়া ভাল পায়। কিছুমান মণ্ডলীত আঙুৰৰ অথবা অন্য ফলৰ ৰস ব্যৱহাৰ কৰে। এই সকলো বিভিন্ন প্ৰণালী গ্ৰহনযোগ্য।

- প্ৰভু-ভোজৰ আশ্চৰ্য্যজনক ৰহস্যৰ অভিজ্ঞতা নোপোৱাকৈ, ইয়াক কেৱল এটা সাধাৰণ শিক্ষাৰ সময় হোৱাৰ বিৰত থাকক।
- বিশ্বাসীসকলে তেওঁলোকৰ পাপ স্বীকাৰ কৰাৰ আগেয়ে প্ৰভু ভোজ পৰিবেশন কৰাৰ পৰা বিৰত থাকক।
- প্ৰভু-ভোজ আহাৰৰ এক অংশ মাত্ৰ বুলি পৰিবেশন কৰাৰ পৰা বিৰত থাকক, যাৰ দ্বাৰায় খ্ৰীষ্টৰ শৰীৰ এক আৰাধনা পূৰ্ণ অংশীদাৰ হোৱা হেৰুৱাব লগাত পৰে (১ কৰিন্থীয়া ১০ঃ১৬)। ১ কৰিন্থীয়া ১১ঃ২০-৩৪ পদত পৌলে এই ভ্ৰান্তি শুধৰাইছিল।

**৬। প্ৰশংসা অন্য প্ৰকৰে কৰক**

- যদিহে বিৰোধী কৰ্তৃপক্ষৰ পৰা ৰক্ষাৰ প্ৰয়োজন তেনেহলে বিশ্বাসী সকলক মৃদু মাতেৰে গীত গাবলৈ কওক, অথবা ইয়াতকৈয়ো নিজমে প্ৰশংসা কৰক। বৰ্ত্তমানে ঈশ্বৰে কৰা সাক্ষ্যত বাইবেল পাঠ, চলাওঁতাই কোৱা বাক্যবোৰৰ পুনৰাবৃত্তি, পদ্য, নাটক, ঈশ্বৰক অৰ্পন কৰা নাচ আৰু নীৰৱ ধ্যান আদি কৰিব পাৰে।
- বাদ্য-যন্ত্ৰক কেৱল প্ৰশংসাৰ মাধ্যম কৰি লোৱাৰ পৰা বিৰত থাকক। আটাই লোককে মনোযোগী প্ৰশংসাত আনিব নোৱাৰা সুন্দৰ বাদ্যযন্ত্ৰৰ গীত-মাতেৰে উপাসনা চলোৱাৰ পৰা বিৰত থাকক। থলুৱা সংস্কৃতি আৰু সকলো বয়সৰ লোকক খাপ খুওৱা ধৰণৰ গীত-মাত কৰক। নতুন গীত লিখাত বিশ্বাসী সকলক উৎসাহ দিয়ক। অন্য সংস্কৃতিৰ পৰা আমদানি কৰা গীত-মাতকে কেৱল ব্যৱহাৰ কৰি নাথাকক।

**৭। প্ৰশংসা কৰাৰ সময়ত ঈশ্বৰৰ সন্মানসূচক উপস্থিতি অনুভৱ কৰি বিশ্বাসীসকলক মনোযোগী হবলৈ দিয়ক।**

দলটোক উপাসনা সময়ৰ নিৰ্দ্দিষ্ট আৰম্ভনি ও সমাপ্তিৰ আঁচনি কৰিবলৈ দিয়ক। উপাসনা আৰম্ভ কৰাৰ এখন তালিকা তলত দিয়া হল ঃ

- উপাসনা আৰম্ভ কৰাত গীতমালা অথবা অন্য উপাসনা কৰাৰ শাস্ত্ৰ অংশবোৰ ব্যৱহাৰ কৰক। উপাসনা আৰম্ভ কৰোঁতে পঢ়িব পৰা কেইটামান বাইবেলৰ পদ তলত দিয়া হল ঃ

| | | |
|---|---|---|
| গীতমালা ৮ঃ১ | গীতমালা ৮৯ঃ১ | গীতমালা ১২৩ঃ১ |
| গীতমালা ৯ঃ১-২ | গীতমালা ৯৫ঃ১-৩ | গীতমালা ১৩৬ঃ১-৪ |
| গীতমালা ১৮ঃ১-২ | গীতমালা ৯৭ঃ১ | গীতমালা ১৪৭ঃ১ |
| গীতমালা ২৯ঃ১-২ | গীতমালা ৯৮ঃ১-২ | গীতমালা ১৪৫ঃ১-২ |
| গীতমালা ৩৪ঃ১-৩ | গীতমালা ১০০ | গীতমালা ১৪৮ঃ১-২ |
| গীতমালা ৪২ঃ১ | গীতমালা ১০৪ঃ১ | গীতমালা ১৪৯ঃ১-৪ |
| গীতমালা ৪৭ঃ১-২ | গীতমালা ১০৫ঃ১-৩ | গীতমালা ১৫০ |
| গীতমালা ৬৬ঃ১-৪ | গীতমালা ১১৩ঃ১-৬ | হবক্কুক ২ঃ২০ |
| গীতমালা ৬৭ঃ১-৩ | গীতমালা ১০৩ঃ১ | প্ৰঃ বাঃ ৭ঃ৯-১২ |
| গীতমালা ৮১ঃ১ | গীতমালা ১১১ঃ১-৩ | প্ৰঃ বাঃ ২ঃ৭ |
| গীতমালা ৮৪ঃ১-২ | গীতমালা ১১৭ | প্ৰঃ বাঃ ২২ঃ৬-৭ |

- উপাসনাৰ নিমিত্তে আপোনাৰ অন্তৰ প্ৰস্তুত কৰাত আৰু খ্ৰীষ্টৰ উপস্থিতি বুজোৱাত পবিত্ৰ আত্মাক দিয়ক।
- সকলোৰে যে ঈশ্বৰৰ আৰাধনা কৰিলে তাত নিশ্চিত হওঁক।
- মহান পবিত্ৰ জনাৰ আশ্চাৰ্য্যজনক উপস্থিতি অনুভৱ কৰিব নোৱাৰা অতিকৈ অনিয়মিত আৰু এক পৰিচিত পৰিবেশৰ বিৰত থাকক।
- অঞ্চলটোত থকা অন্য মণ্ডলীবিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰক, যদিও সেই মণ্ডলীবোৰ অধিক পৰম্পৰাগত আৰু সকলো কাৰ্য্য ভিন্ন প্ৰকাৰ কৰে ।

- অন্য মণ্ডলী ত্যাগ কৰা আৰু অধিক সমালোচনা কৰা সকলক সাৱধানে ও মৰমেৰে সংশোধন কৰক।
- পালক ও মণ্ডলীবিলাকে বেলেগকৈ কৰা কামৰ কাৰণে সমালোচনা কৰা, আৰু এক দায় ধৰা ভাবত চলাওঁতা সকলে কথা কোৱাৰ পৰা বিৰত থাকক।
- অন্য গোটবোৰে বিশ্বাস ও কৰা কৰ্ম্মত ক্ৰোধান্বিত ভাব প্ৰকাশ কৰাত বিশ্বাস সকল আঁতৰি থাকক।

**৮। ঈশ্বৰক দিয়াত বিশ্বাসীসকলক এক সুবিধা প্ৰদান কৰক।**

- খ্ৰীষ্টৰ ৰাজ্য বৃদ্ধি আৰু প্ৰয়োজনত থকা লোকক সাহায্য কৰা দান বৰঙণিবোৰ কি দৰে ব্যৱহাৰ কৰা হয়, বিশ্বাসীসকলক জানিবলৈ দিয়ক।
- দান দিব নোৱাৰা সকলক বিবুদ্ধি কৰা আৰু দানবোৰ কিদৰে খৰচ কৰা হয়, মাজে-সময়ে টকা-পইচাৰ বাবে হাত পতাৰ পৰা চলাওঁতা সকল বিৰত থাকক।
- অন্য বিশ্বাসীসকলৰ অধিক প্ৰয়োজন থাকোঁতে, যাৰ নিমিত্তে যীচুৱে বিশ্বাসীসকলক দিবলৈ কয়, তেনে সময়ত জাগতিক বস্তু কিনি নিজক সহায় কৰাৰ পৰা চলাওঁতা সকল বিৰত থাকক।
- সমাজে বাচি লোৱা ভৰাঁলীৰ দ্বাৰাই হিচাপ-নিকাচ চাবলৈ ব্যৱস্থা ৰাখক।

**৯। বিশেষকৈ বৃদ্ধি কৰা বিষয়বোৰ লৈ সভা-সমতি পাতক ঃ**

- প্ৰাৰ্থনা ও আঁচনি কৰাৰ সময়ত, লোকবিলাকক তুলি ধৰা কথাত বিশ্বাসীসকলে মনোনিবেশ কৰক। নতুন কাম-কাজবোৰ যোগ দি এইদৰে কৰক। উদাহৰণ স্বৰূপে, নতুন বিশ্বাসীসকলক চামিল, ব্যাপ্তিষ্ম দিয়া, নতুন নিয়মৰ মতে মণ্ডলীয়ে কৰিবলগীয়া কৰ্ম্ম কৰা, নতুন মণ্ডলী ও গোটবোৰ আৰম্ভ কৰা, নতুন চলাওঁতাসকলক প্ৰশিক্ষন, বিশ্বাসী ও বন্ধুসকলক আশীৰ্ব্বাদ দিবলৈ পৰিদৰ্শন কৰা, আৰু কষ্টত থকা সকলৰ পৰিচৰ্য্যা কৰিবলৈ দলবোৰ সংগঠন কৰা ইত্যাদি।
- ৰোগ-ব্যাধি, ধৰ্ম্মমতৰ বিবাদ, সমাজত পাপ আৰু আন আন সাধাৰণ বিপৰীত সমস্যাবোৰৰ লগত অধিক সময় জড়িত হৈ থকাৰ পৰা বিৰত থাকক। মণ্ডলী বৃদ্ধি কৰা স্পষ্ট বিষয়বোৰ আলোচনা কৰাৰ সময় সদায় ৰাখক।

Copyright © 2003 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.